Total No. of Printed Pages—3

SPP COLLEGE LIBRARY
Date ..........
Swahid Peoli Phukan College, Namti

**4 SEM FYUGP ASMC4C**

**2025**

( June )

# ASSAMESE

( Core )

Paper : ASMC4C

**( অসমীয়া কবিতা )**

*Full Marks* : 60

*Time* : 2 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখাঁ : ১×৭=৭

(ক) 'সাগৰতলীৰ শংখ' নামৰ গ্ৰন্থখন কোনে সম্পাদনা কৰিছে ?

(খ) 'চৰ্য্যাগীতিকোষ' নামৰ গীতৰ পুথিখন হৰপ্ৰসাদ শাস্ত্ৰীয়ে ক'ৰ পৰা উদ্ধাৰ কৰিছিল ?

(গ) 'হৰগৌৰী সংবাদ' কোনে ৰচনা কৰিছিল ?

SPP College Library, Sripati Pooli Phukan College, Namti

(ঘ) প্ৰথম অসমীয়া ছনেট কোনে ৰচনা কৰিছিল ?

(ঙ) নলিনীবালা দেৱীৰ এখন কবিতা-পুথিৰ নাম লিখাঁ।

(চ) দেৱকান্ত বৰুৱাৰ একমাত্ৰ কবিতা-পুথিখনৰ নাম লিখাঁ।

(ছ) হীৰেন ভট্টাচাৰ্যই 'সাহিত্য অকাদেমী বঁটা' লাভ কৰা গ্ৰন্থখনৰ নাম কি ?

২। অসমীয়া কবিতাৰ ঐতিহাসিক পৰিক্ৰমাক কেইটা ভাগত ভাগ কৰিব পাৰি আৰু কি কি? ইয়াৰে যি কোনো এটা ভাগৰ কবিতাৰ বিশেষত্ব সম্পৰ্কে এটা আলোচনা আগবঢ়োৱাঁ। ২+১০=১২

৩। (ক) তোমাৰ পাঠ্য হেম সৰস্বতীৰ দ্বাৰা ৰচিত কাব্যাংশৰ কথাখিনি তোমাৰ ভাষাৰে বৰ্ণনা কৰাঁ। ১২

*অথবা*

(খ) তোমাৰ পাঠ্য 'হৰমোহনৰ দিব্য উপবনৰ পৰা' শীৰ্ষক কাব্যাংশৰ সহায়ত শংকৰদেৱৰ কাব্য-প্ৰতিভা সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰাঁ।

৪। (ক) ৰোমাণ্টিক কবিতাৰ প্ৰধান লক্ষণসমূহ আলোচনা কৰাঁ। ১২

*অথবা*

(খ) ৰঘুনাথ চৌধাৰীৰ 'দহিকতৰা' কবিতাটোৰ কাব্যিক সৌন্দৰ্য বিচাৰ কৰি এটি আলোচনা আগবঢ়োৱাঁ।

Dr. Radha Bhukan College, Namti LIBRARY Date

৫। (ক) কবিৰ চমু পৰিচয় আগবঢ়াই 'মুঠি মুঠিকৈ কাটি তোৰ ঢেঁকীয়াৰ আঙুলি' কবিতাৰ কাব্যিক মূল্যায়ন আগবঢ়োৱাঁ। ৪+৮=১২

অথবা

(খ) কেশৱ মহন্তৰ 'সোণজিৰা মাহীৰ নাড়ী' কবিতাটোত প্ৰকাশিত মানৱীয় অনুভূতিৰ বিষয়ে আলোচনা কৰা। ১২

৬। চমু টোকা লিখাঁ (যি কোনো এটা) : ৫

(ক) নৱকান্ত বৰুৱাৰ কবিতা

(খ) হীৰেন ভট্টাচাৰ্যৰ কবিতা

(গ) হোমেন বৰগোহাঞিৰ কবিতা

★★★